**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2024
**Time :** 0705 Hrs.

## *Assamese Morning Bulletin*
## *HEADLINES*

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰিব।

২।	লোকসভা  আৰু ৰাজ্যসভাত  কালি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত পুনৰ আলোচনা কৰা হয়।

৩।	নতুন দিল্লীত কালি মধ্য-প্ৰাচ্য সন্দৰ্ভত ভাৰত আৰু জাপানৰ দ্বিতীয়লানি আলোচনা অনুষ্ঠিত হয়।

৪।	২০২৪ বৰ্ষৰ পেৰিছ্ অলিম্পিক ক্ৰীড়া সমাৰোহ আজি আৰম্ভ হ'ব।  ***আৰু***

৫।	ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত বাংলাদেশৰ মুখামুখি হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰিব। শ্ৰীমোদীয়ে দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে ইয়াক দেশৰ ৰক্ষকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন বুলি অভিহিত কৰে।

শ্ৰীমোদীয়ে লগতে কয় যে আজি শ্বীনকুন লা সুৰংগ প্ৰকল্পৰ কাম আৰম্ভ হ'ব। তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে আজি এই প্ৰকল্পৰ কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। এই সুৰংগটোৱে বিশেষকৈ বেয়া বতৰত লেহলৈ যোগাযোগ সহজসাধ্য কৰিব আৰু সেয়েহে এই সুৰংগটো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ৪ দশমিক ১ কিলোমিটাৰ দৈৰ্ঘৰ এই সুৰংগটো নিমু-পাদুম-দাৰচা পথছোৱাত প্ৰায় ১৫ হাজাৰ ৮০০ ফুট উচ্চতাত নিৰ্মাণ কৰা হ'ব আৰু এই সুৰংগটোৰ জৰিয়তে যিকোনো বতৰতে লেহলৈ সহজসাধ্য যাত্ৰা কৰিব পৰা যাব। সম্পূৰ্ণ হোৱাৰ পাছত এই সুৰংগটো পৃথিৱীৰ উচ্চতম সুৰংগ হিচাপে পৰিগণিত হ'ব। শ্বীনকুন লা সুৰংগটোৱে সামৰিক বাহিনীৰ সামগ্ৰীৰ সুগম সৰবৰাহৰ উপৰি লাডাখত অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন ত্বৰান্বিত কৰিব।

oooooo

ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কৈছে যে কাৰ্গিল যুদ্ধত দেশৰ জোৱানসকলে ভয়াৱহ পৰিস্থিতিৰ মুখামুখি হৈছিল যদিও শত্ৰু পাকিস্তানৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিছিল। শ্ৰী নাড্ডাই কালি নতুন দিল্লীত কয় যে ভাৰতীয় সেনাই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা স্বত্বেও কৌশলগত পাৰদৰ্শিতাৰ বাবে কাৰ্গিলত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ সক্ষম হৈছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰতীয় সেনাৰ সুবিধাৰ্থে সীমান্তৱৰ্তী অঞ্চলসমূহত দুটা লেনযুক্ত পথৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয় যে সেনাই এতিয়া মাত্ৰ ডেৰ দিনৰ ভিতৰতে অৰুণাচল প্ৰদেশৰ পৰা লাডাখত উপস্থিত হব

পাৰে। শ্ৰী নাড্ডাই কালিৰ অনুষ্ঠানতে সেনাৰ সৈতে জড়িত এখন প্ৰদৰ্শনী মুকলি কৰাৰ লগতে বীৰ জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooo

লোকসভাত কালি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়। আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ চৰণজিৎ সিং চন্নীয়ে এইবাৰৰ বাজেটে জনসাধাৰণক নিৰাশ কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে, বাজেটত বান প্ৰভাবিত পাঞ্জাবৰ জনসাধাৰণৰ বাবে একোৱেই নাই। তেওঁ লগতে চৰকাৰ ৰক্ষা কৰাই এইবাৰৰ বাজেটত অভিপ্ৰায় বুলি মন্তব্য কৰে।

বাজেট সম্পৰ্কে উত্থাপন কৰা বৈষম্যৰ অভিযোগ খণ্ডন কৰি এন চি পিৰ সুনীল তটকৰেই কয় যে, মহাৰাষ্ট্ৰত এন ডি এৰ শাসনকালত সৰ্বাধিক উন্নয়ন হৈছে।

তৃণমূল কংগ্ৰেছৰ সৌগত ৰয়ে আলোচনাত অংশ লৈ এইবাৰৰ বাজেটখনক শেহতীয়া সময়ৰ আটাইতকৈ বিভাজনমুখী বাজেট বুলি অভিহিত কৰে।  তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগ চৰকাৰ বকেয়া ধন বন্ধ কৰাৰ বিষয়ও উত্থাপন কৰে।

বিজেপিৰ বৈজয়ন্ত পাণ্ডাই এইবাৰৰ বাজেটখনক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে, ৰাষ্ট্ৰক আগুৱাই নিয়াৰ বাবে প্ৰয়োজনীয় সংস্কাৰৰ দিশৰ পৰা এইবাৰৰ বাজেটখন পৰিসৰ ব্যাপক আৰু গভীৰ। কংগ্ৰেছৰ হিবি এডেনে আলোচনাত ভাগ লৈ এইবাৰৰ বাজেটে দেশৰ যুৱ প্ৰজন্মক কৰ্মসংস্থাপনৰ সুযোগৰ পৰা বঞ্চিত কৰা বুলি অভিযোগ তোলে। বাজেটত এম জি এনৰেগাৰ ধন বৃদ্ধি কৰা হোৱা নাই বুলিও সাংসদগৰাকীয়ে দাবী কৰে। আলোচনাত জে ডি ইউৰ আলোক কুমাৰ সুমন, টিডিপিৰ বস্তিপতী নাগাৰাজু, সমাজবাদী পাৰ্টিৰ ৰাজীৱ ৰায়, শিৱসেনা ইউ বি টিৰ অৰবিন্দ সাৱন্ত, এল জে পিৰ অৰুণ ভাৰতী, শিৱসেনাৰ ধৈৰ্যশীল মানে, আপৰ মালৱিন্দৰ সিং কাং, আৰ জে ডিৰ সুধাকৰ সিঙ, নেচনেল কনফাৰেন্সৰ মিয়া আলটাফ আহমেদ, চি পি আই এম এলৰ ৰাজা ৰাম সিং, ডি এম কেৰ চি এন আন্নাডুৰাই, আৰ এল ডিৰ চন্দন চৌহান আৰু জে ডি এছৰ এম মল্লেছ বাবুয়েও অংশগ্ৰহণ কৰে। ইয়াৰ পাছত লোকসভাৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooo

ৰাজ্যসভাত কালি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট আৰু ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ বাজেট সন্দৰ্ভত  আলোচনা পুনৰ আৰম্ভ হয়। আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ ৰণদীপ সিং সুৰ্যেৱালাই কৃষক, দৰিদ্ৰ আৰু নিবনুৱাৰ সমস্যাৰ বিষয়ে উত্থাপন কৰে। আনহাতে আপৰ ৰাঘৱ চাড্ডাই অভিযোগ কৰে যে, চৰকাৰে এই বাজেটৰ জৰিয়তে  সমাজৰ সকলো শ্ৰেণীকে অসন্তুষ্ট কৰিছে। বিজেডিৰ দেৱাশীষ ছামন্ত্ৰে দেশৰ আঞ্চলিক আকাংক্ষা বাজেটত অৱহেলিত হোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে বাজেটখনে দুখন ৰাজ্যক গুৰুত্ব দিয়াৰ বাদে ওড়িশা, পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ দৰে ৰাজ্যক আওকান কৰিছে বুলি অভিযোগ উত্থাপন কৰে। আৰ জে ডিৰ সঞ্জয় যাদৱে বাজেটখনক দৰিদ্ৰ বিৰোধী বুলি অভিহিত কৰিছে।  টি এম চিৰ চামিৰুল ইছলামে অভিযোগ কৰে যে, এই বৰ্ষৰ কেন্দ্ৰীয় বাজেট জনবিৰোধী। তেওঁ কয় যে, দেশৰ বিশেষকৈ অসংগঠিত ক্ষেত্ৰত অভাৱগ্ৰস্তসকলক অৱহেলা কৰা হৈছে। আনহাতে বিজেপি সাংসদ মেধা কুলকাৰ্নীয়ে বাজেটখনক প্ৰশংসা কৰি কয় যে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বাজেটৰ জৰিয়তে মহাৰাষ্ট্ৰৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে।  ডি এম কেৰ এন ছানমুগম, এ আই এ ডি এম কেৰ ছি ভে শ্বানমগম আৰু কংগ্ৰেছৰ ৰজনী পাটিলেও এই আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ

পাছত ৰাজ্য সভাত জনসাধাৰণৰ সৈতে জড়িত বিভিন্ন সমস্যা বিশেষ ভাৱে আলোচনা কৰা হয় আৰু তাৰ পাছতে দিনটোৰ বাবে ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখা হয়।

০০০০০০

নতুন দিল্লীত কালি মধ্য-প্ৰাচ্য সন্দৰ্ভত ভাৰত আৰু জাপানৰ দ্বিতীয়লানি আলোচনা অনুষ্ঠিত হয়।

আলোচনাত পশ্চিম এছিয়া আৰু উত্তৰ আফ্ৰিকা বিভাগৰ যুটীয়া সচিব সুৰেশ কুমাৰে ভাৰতীয় দলটোৰ আৰু জাপানৰ মধ্যপ্ৰাচ্য আৰু আফ্ৰিকীয় পৰিক্ৰমা ব্যুৰ'ৰ সঞ্চালকপ্ৰধান আনডো টশ্বিহিডেই দেশখনৰ দলটোৰ নেতৃত্ব দিয়ে।

বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি আলোচনা কালত মধ্য প্ৰাচ্য আৰু পশ্চিম এছীয়াৰ ৰাজনৈতিক ঘটনাৱলী, অৰ্থনৈতিক সুযোগ আৰু অঞ্চল দুটাই সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে মত বিনিময় কৰা হয়।

০০০০০০

২০২৪ বৰ্ষৰ পেৰিছ্ অলিম্পিক ক্ৰীড়া সমাৰোহ আজি আৰম্ভ হ'ব। পেৰিছ্ৰ শ্বেন নৈৰ পাৰত ভাৰতীয় সময় অনুসৰি নিশা ১১ বজাত এই ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব।

ইতিহাসত প্ৰথমবাৰৰ বাবে এইবেলি মুকলি আকাশৰ তলত অলিম্পিক ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাৰোহত অংশগ্ৰহণ কৰা দেশসমূহৰ প্ৰায় ১০ হাজাৰ ৫০০ গৰাকী খেলুৱৈক প্ৰায় ১০০ খন নাৱেৰে পেৰিছ্ৰ দৰ্শনীয় স্থল সমূহৰ ওচৰেৰে লৈ যোৱা হ'ব আৰু এইদৰে দেশসমূহৰ কুচকাৱাজ অনুষ্ঠিত হ'ব। অষ্টাৰলিট্জ দলঙৰ ওচৰত আৰম্ভ হৈ এই কুচকাৱাজৰ  আইফেল টাৱাৰৰ ওচৰত অন্ত পৰিব। ইয়াৰ পাচতে অলিম্পিক শিখা প্ৰজ্বলন কৰা হ'ব আৰু তাৰ লগে লগে অলিম্পিক ক্ৰীড়া সমাৰোহৰ আনুষ্ঠানিক উদ্বোধন হ'ব।

তিনিঘণ্টা জুৰি হ'বলগীয়া এই উদ্বোধনী অনুষ্ঠানৰ জৰিয়তে সমগ্ৰ বিশ্বৰ আগত পেৰিছ্ৰ ইতিহাস আৰু স্থাপত্য প্ৰদৰ্শন কৰা হ'ব। প্ৰসিদ্ধ ফৰাছী চলচিত্ৰ নিৰ্মাতা আৰু অভিনেতা থমাছ জলীয়ে কলা নিৰ্দেশক হিচাপে এই সমগ্ৰ উদ্বোধনী অনুষ্ঠানটো পৰিচালনা কৰিব।

বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ  **খেলুৱৈ** শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। কুচকাৱাজৰ সময় ছোৱাত ভাৰতীয় দলৰ সদস্যসকলে দেশৰ পতাকা আৰ্হিত পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিব।

পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনৰ এদিন পূৰ্বে কালি আৰ্চাৰীত ভাৰতৰ মহিলা দলটোৱে চতুৰ্থ আৰু পুৰুষ দলটোৱে তৃতীয় স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।  কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতীয় মহিলা দলটো ফ্ৰান্স আৰু নেডাৰলেণ্ডছৰ মাজত হ'বলগীয়া প্ৰতিদ্বন্দ্বিতাৰ বিজয়ী দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতৰ পুৰুষ দলটো কলম্বিয়া আৰু তুৰস্কৰ মাজত হ'বলগীয়া খেলখনৰ বিজয়ীৰ মুখামুখি হ'ব।  এই প্ৰতিযোগিতাসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টৰ ভিতৰত অনুষ্ঠিত হ'ব।  ভাৰতে কাইলৈ ১০ মিটাৰ এয়াৰ ৰাইফল মিক্সড টীম আৰু পুৰুষ আৰু মহিলা উভয়ৰে ১০ মিটাৰ এয়াৰ পিষ্টল শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

এইবাৰ ভাৰতীয় দলটোৰ ছেফ দ্য মিছন হিচাপে তাৰকা শ্বুটাৰ গগন নাৰঙক দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি ৩০গৰাকী সদস্যযুক্ত ভাৰতৰ এথলেটিক দলটোক জেভলিন তাৰকা নীৰজ চোপ্ৰাই নেতৃত্ব

দিব। এইবাৰ অলিম্পিকলৈ ভাৰতে ১১৭জনীয়া খেলুৱৈৰ দল প্ৰেৰণ কৰিছে। ১১ আগষ্টলৈকে চলিবলগীয়া এই অলিম্পিকত ১৯৬খন ৰাষ্ট্ৰৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এইবাৰ প্ৰথমবাৰৰ বাবে ব্ৰেক ডেন্সিংক অলিম্পিকত খেল হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

oooooo

ভাৰত আজি মহিলাৰ এছিয়া কাপ টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত বাংলাদেশৰ মুখামুখি হ'ব। শ্ৰীলংকাৰ ৰানগিৰি ডাম্বুল্লা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি দুপৰীয়া ২ বজাত আৰম্ভ হব।

**ঃঃ সমাপ্ত ঃঃ**